দৈনিক জনমভূমি

অজিৎ বৰুৱাৰ জন্ম শতবৰ্ষৰ সামৰণী অনুষ্ঠানত বক্তৃতানুষ্ঠান

# ‘চল্লিছ-পঞ্চাছৰ দশকলৈকে অসমীয়া কবিতা ভাববিলাসী আছিল’



গুৱাহাটী, ২০ আগষ্ট ঃ আধুনিক অসমীয়া কবিতাৰ উজ্জ্বল নক্ষত্ৰ অজিৎ বৰুৱাৰ জন্ম শতবৰ্ষৰ সামৰণী অনুষ্ঠান কালি গুৱাহাটীৰ অগ্ৰণী শিক্ষানুষ্ঠান দিছপুৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। একাধাৰে কবি, ঔপন্যাসিক, সমালোচক, অনুবাদক অজিৎ বৰুৱাৰ শতবৰ্ষীয় ওপজা দিনটোতে অনুষ্ঠিত হয় একাদশ বাৰ্ষিক অজিৎ বৰুৱা স্মাৰক বক্তৃতা। দিছপুৰ মহাবিদ্যালয়ৰ সহযোগত অজিৎ বৰুৱা অনুৰাগী সমাজে আয়োজন কৰা অনুষ্ঠানত একাদশ বাৰ্ষিক অজিৎ বৰুৱা স্মাৰক বক্তৃতা, ২০২৬ প্ৰদান কৰে ১৩ পিঠিলৈ

## দুটা হস্তানামত বন্দুক, গুলী জব্দ



## ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰীক আটক

গোসাঁইগাঁও ঃ এজন সংবাদদাতা, ২০ আগষ্ট ঃ কোকৰাঝাৰ জিলাৰ কচুগাঁও বন সংমণ্ডলৰ অধীনস্থ ৱেষ্টাৰ্ন ফৰেষ্ট ১৩ পিঠিলৈ

# ‘চল্লিছ-পঞ্চাছৰ দশকলৈকে অসমীয়া কবিতা...’

প্ৰসিদ্ধ সমালোচক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অধ্যাপক ড° পোনা মহন্তই। বক্তৃতাৰ বিষয় আছিল— ‘অসমীয়া কবিতাত টি এছ এলিয়ট ঃ অজিৎ বৰুৱাৰ বিশেষ প্ৰসংগেৰে’। ভাষণত ড° মহন্তই কয়— ‘চল্লিছ-পঞ্চাছৰ দশকলৈকে অসমীয়া কবিতা প্ৰধানকৈ প্ৰেমসৰ্বস্ব ৰোমাণ্টিকধৰ্মী, ভাববিলাসী আছিল। এই সময়ছোৱাৰ পৰাই অসমীয়া কবিতাই সুঁতি সলনি কৰিবলৈ ধৰে।’ ড° মহন্তই আৰু কয়— ‘অসমীয়া কবিতাত টি এছ এলিয়টৰ উপস্থিতি বা প্ৰভাৱ সম্পৰ্কে অ’ত ত’ত কিছু চৰ্চা হৈছে যদিও সামগ্ৰিকভাৱে বিষয়টোৰ সম্ভাব্য সকলো দিশ সামৰি বস্তুনিষ্ঠ, পাঠভিত্তিক তথ্যসমৃদ্ধ আলোচনাৰ পথ এতিয়াও খোলা। সাহিত্য বা কবিতা সম্পৰ্কে এনে আলোচনা ইংৰাজীত ক’বলৈ হ’লে open ended— অৰ্থাৎ ইয়াৰ কোনো নিৰ্দিষ্ট সীমা বা অন্ত নাই, বিভিন্নজনে বিভিন্নধৰণে ব্যাখ্যা দি নিজৰ পথেদি পোনাই নিব পাৰে।’ অজিৎ বৰুৱাৰ জন্ম শতবৰ্ষৰ সামৰণী অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি ভাষণ দিয়ে বিশিষ্ট পদাৰ্থবিজ্ঞানী, শিক্ষাবিদ, সাহিত্যিক, শিল্পী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰীয়ে। ড° চৌধুৰীয়ে সংগীতবিদ্যা (musicology)ৰ consonance আৰু counterpoint-ৰ উল্লেখেৰে ড° ভূপেন হাজৰিকাৰ কেইটিমান নিৰ্বাচিত গীতৰ যন্ত্ৰসংগীত পৰিৱেশনসহ অজিৎ বৰুৱাৰ প্ৰসিদ্ধ কবিতা ‘জেংৰাই ১৯৬৩’ৰ এক ব্যাখ্যাত্মক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত সুপ্ৰসিদ্ধ আবৃত্তিকাৰ, ঘোষক অৰুনী বৰাই পাঠ কৰে অজিৎ বৰুৱাৰ সাহিত্য অকাদেমি বঁটা গ্ৰহণ ভাষণ। অজিৎ বৰুৱাৰ কেইটিমান নিৰ্বাচিত অনুবাদ কবিতা আবৃত্তি কৰে আবৃত্তিকাৰ, নাট্যশিল্পী, ঘোষক মেল’ডী পাটগিৰিয়ে। আনহাতে, অজিৎ বৰুৱাৰ গীত পৰিৱেশন কৰে দিছপুৰ মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ সহঃ অধ্যাপিকা দিম্পী কলিতাই। সভাত অজিৎ বৰুৱা অনুৰাগী সমাজৰ সভাপতি, বিশিষ্ট কবি ৰাজীৱ বৰুৱাই ভাষণ আগবঢ়ায়। দিছপুৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষা ইন্দ্ৰাণী চৌধুৰী মহন্তই আদৰণি ভাষণ দিয়া সভাৰ শেষত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহঃ অধ্যাপিকা বৰ্ণালী বৰাই শলাগৰ শৰাই আগবঢ়ায়। সভা পৰিচালনা কৰে আবৃত্তিকাৰ-ঘোষক কাকলি বৰাই।